# 2020

## ELECTIVE ASSAMESE

Paper : 6.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া চুটিগল্পৰ বিকাশত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা 'আৱাহন' কাকতৰ প্ৰথম সম্পাদক কোন আছিল?

(খ) জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি?

(গ) 'গল্পাঞ্জলি' নামৰ গল্পপুথিখনৰ গল্পকাৰজনৰ নাম কি?

(ঘ) শীলভদ্ৰৰ প্ৰকৃত নাম কি আছিল?

(ঙ) জলনাৰায়ণ কোন?

(চ) নদৰামৰ সৈতে লেখকৰ চিনাকি ক'ত হৈছিল?

(ছ) ১৯৮০ চনত 'পৃথিৱীৰ অসুখ' নামৰ গল্প-সংকলনৰ বাবে কোনে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ঞ) 'ডাৱৰ আৰু নাই' উপন্যাসখন উজনি অসমৰ কোনখন চহৰৰ পটভূমিত ৰচিত ?

(ঝ) বাখৰ আৰু অনুপমাৰ জীয়েকৰ নাম কি ?

(ঞ) ড০ ভবেন্দ্রনাথ শইকীয়াই ৰচনা কৰা এখন কিশোৰ উপযোগী গ্রন্থৰ নাম লিখা।

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

(খ) 'মাকনৰ গোঁসাই' গল্পটোৰ মূল চৰিত্ৰ দুটাৰ নাম কি কি ?

(গ) নদৰামে ক'ত, কাৰ সৈতে যুদ্ধ কৰিছিল ?

(ঘ) বাৰিষা গল্পত উল্লেখ থকা দুজন মাছ বেপাৰীৰ নাম লিখা।

(ঙ) 'ডাৱৰ আৰু নাই' উপন্যাসত কোনখন বিশ্বযুদ্ধৰ কথা বৰ্ণিত হৈছে? সেইখন যুদ্ধত এটা ৰবাৰ টেঙাৰ দাম কিমান হোৱা বুলি উপন্যাসখনত আছে ?

৩। তলৰ প্রশ্নবোৰৰ উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) জনজাতীয় জীৱনৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা অসমীয়া উপন্যাস সন্দৰ্ভত এটি টোকা লিখা।

(খ) 'মধুপুৰ বহুদূৰ' গল্পটোত থকা তগৰ বহুৰূপীৰ চৰিত্ৰটো আলোচনা কৰা।





(গ) 'মধুপুৰ বহুদূৰ' গল্পৰ চন্দ্ৰ শীল নামৰ ব্যক্তিজনৰ কৰ্মৰ বিচিত্ৰতা সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'ডাৱৰ আৰু নাই' উপন্যাসৰ বাখৰ আৰু অনুপমা চৰিত্ৰ দুটিৰ বিশ্লেষণ কৰা।

(ঙ) যুদ্ধৰ পৰা ঘূৰি আহি নদৰামে নিজৰ ঘৰত উপস্থিত হৈ কি 'মামলা'ৰ মীমাংসা কৰিবলৈ বিচাৰিছিল? 'মামলা'টোৰ মীমাংসা কৰিবলৈ নদৰামে কি কি কৰিছিল ?

(চ) 'বাৰিষা' গল্পটোৰ নামকৰণৰ তাৎপৰ্য লিখা।

৪। (ক) আবাহন যুগৰ চুটিগল্পৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) যুদ্ধোত্তৰ (২য় বিশ্বযুদ্ধৰ পিছৰ) যুগৰ অসমীয়া উপন্যাসৰ বিষয়ে আলোচনা কৰা।

৫। (ক) 'নদৰাম' গল্পটোত জনজাতীয় জীৱনৰ ত্যাগ, সৰলতা আৰু উদাৰতাৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'মাকনৰ গোঁসাই' গল্পৰ আধাৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ চুটিগল্পৰ বৈশিষ্ট্যবোৰ লিখা।

৬। (ক) 'মধুপুৰ বহুদূৰ' গল্পত মধুপুৰৰ অতীত আৰু বৰ্তমানৰ ৰূপ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'বাৰিষা' গল্পত গ্ৰাম্য জীৱনৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৭। (ক) 'ডাৱৰ আৰু নাই' উপন্যাসখনত যুদ্ধৰ ভয়াবহতা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) যুদ্ধই অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনলৈ কেনে পৰিৱৰ্তন আনিছিল, আলোচনা কৰা।

★★★